**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

-----------------------------------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনা আৰু অন্যান্য কল্যাণকামী আঁচনি আদিকে ধৰি চৰকাৰৰ সকলো আঁচনিৰ অধীনত বিনামূলীয়া পুষ্টিকৰ চাউলৰ যোগান জুলাইৰ ২০২৪ৰ পৰা ডিচেম্বৰ ২০২৮ লৈ অব্যাহত ৰখাত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অংশ হিচাপে ভাৰত চৰকাৰৰ এশ শতাংশ পুঁজিৰে এই পুষ্টিকৰ চাউলৰ যোগানৰ পদক্ষেপ অব্যাহত থাকিব। এই অনুসৰি দেশত পুষ্টি সুৰক্ষাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ৭৫ সংখ্যক স্বাধীনতা দিৱসত দিয়া ভাষণৰ লগতে সংগতি ৰাখি দেশত ৰক্তহীনতা আৰু অপুষ্টিকৰতা দূৰ কৰিবলৈ এই পদক্ষেপ হাতত লোৱা হৈছিল।  ২০১৯ চনৰ পৰা ২০২১ চনৰ ভিতৰত কৰা ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা অনুসৰি ভাৰতত ৰক্তহীনতাই সমাজৰ ব্যাধি হৈ আছে, যিয়ে বিভিন্ন বয়সৰ শিশু, মহিলা আৰু পুৰুষক আক্ৰান্ত কৰিছে। এই ৰক্তহীনতাৰ সৈতে মোকাবিলা কৰিবলৈ পুষ্টিকৰ চাউলৰ বিতৰণৰ পদক্ষেপ লোৱা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধলা-শদিয়া সংযোগ কৰা ড০ ভূপেন হাজৰিকা সেতুৰ সৌৰচালিত আলোকিতকৰণ প্ৰকল্প উদ্বোধন কৰে। এই প্ৰকল্প অনুসৰি এ পি ডি চি এলে ধলা-শদিয়া সেতুত সৌৰশক্তিৰে বিদ্যুতৰ যোগান ধৰিব।

**ভইচ**

০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমী উপলক্ষে বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। কালি ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছত পূজা মণ্ডপসমূহত আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হৈছে। পূজাথলীসমূহত পুৱাৰেপৰাই  বহুলোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে।  ৰাজ্যৰ বিভিন্ন প্ৰান্তত আটকধুনীয়াকৈ সজোৱা পূজা মণ্ডপসমূহ নানাৰঙী আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। পূজাৰ মন্ত্ৰোচাৰণ, আয়তীৰ উৰুলি, ঢাক-শংখধবনীয়ে মাংগলিক তথা আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিছে। লোকবিশ্বাস অনুসৰি দেৱী দুৰ্গাক আবাহন আৰু বোধনৰ জৰিয়তে অশুভ শক্তিৰ বিনাশ কৰা হয়। আনহাতে, বিভিন্ন অপায়-অমংগল, দুৰ্যোগ বিভীষিকা নাশ কৰি শান্তি আৰু সমৃদ্ধিৰ প্ৰাৰ্থনাৰে ভক্তসকলে দেৱী দুৰ্গাৰ চৰণত পূজা-অৰ্চনা আগবঢ়ায়। সপ্তমীৰ দিনটোত দেৱী দুৰ্গাক কালৰাত্ৰিৰ ৰূপত আৰাধনা কৰা হয়।

**গুৱাহাটী** মহানগৰীৰ চাৰি শতাধিক পূজাথলীত শাৰদীয় পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পূজাথলীসমূহৰ লগতে দোকান-বজাৰসমূহতো অগণন লোকৰ সমাগম পৰিলক্ষিত হৈছে।

ইপিনে, ৰাজ্যৰ অন্যান্য জিলাসমূহতো দুৰ্গা পূজা উপলক্ষে ব্যাপক আয়োজন কৰা হৈছে। ৰাজহুৱা পূজাৰ লগতে ব্যক্তিগতভাৱেও ভালেসংখ্যক পূজাৰ আয়োজন কৰা হৈছে।

ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা চলি আছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি **কামৰূপ মহানগৰ** জিলাৰ বিভিন্ন পূজা মণ্ডপত উপস্থিত হৈ পূজাৰ কাৰ্যসূচীত অংশ লয়। তেওঁ আজাৰা, কাঁহিকুছি আৰু পাটগাঁৱৰ দুৰ্গাপূজাথলীত উপস্থিত হয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি **তিনিচুকীয়া** জিলাৰ চলিহা বৰদলৈ নগৰত দুৰ্গা পূজা থলীত উপস্থিত হোৱাৰ লগতে জিলাখনৰ দাহাল বাবা মন্দিৰ দৰ্শন কৰি সেৱা আগবঢ়ায়। তেওঁ জিলাখনৰ মানৱ কল্যাণ পূজা ভৱনত ৰাইজৰ সৈতে মত বিনিময় কৰে। ইপিনে, জিলাখনত তিনি শতাধিক দুৰ্গা পূজা শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। এইবাৰ প্ৰশাসনে পথ, যাতায়াত বন্ধ কৰি পূজা আয়োজনৰ অনুমতি দিয়া নাই। জিলাখনত পূজাৰ সময়ছোৱাত কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নোহোৱাটো নিশ্চিত কৰিবলৈ এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে।

**চৰাইদেউ** জিলাত দুৰ্গা পূজাক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। জিলাখনৰ সোণাৰি নগৰ আৰু দাঁতিকাষৰীয়া অঞ্চলত মুঠ ১০৩ খন পূজা অনুষ্ঠিত হৈছে। বিভিন্ন স্থানত নিৰ্মাণ কৰা দৃষ্টিনন্দন মণ্ডপসমূহে সকলোকে আকৰ্ষিত কৰিছে। **বজালী** জিলাৰ বিভিন্ন অঞ্চলৰ লগতে গড় বজাৰত পাঁচদিনীয়া কাৰ্যসূচীৰে পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ কাৰ্যসূচীৰ অংশ হিচাপে দিহানাম প্ৰতিযোগিতা নৃত্যানুষ্ঠান আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ চাপাগুৰি আৰু ককলাবাৰী মৌজাক সামৰি স্থাপিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকুঁজিদেওৰ দেৱালয়ত কালিৰেপৰা শাৰদীয় পূজা অনুষ্ঠিত হৈছে। এই উপলক্ষে স্বচ্ছতা অভিযান, মুখ্য দ্বাৰ উদ্ঘাটন, পতাকা উত্তোলন আৰু গছপুলি ৰোপণ কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ শাৰদীয় পূজা উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। এইবেলি জিলাখনত ১৩৬ খন পূজা মণ্ডপত পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ ৰংজুলি পূজা সমিতিয়ে বিজয়া দশমীৰ দিনা পূৰ্বৰ দৰে ৰাৱণ বধৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

**লখিমপুৰ** জিলাৰ পূজাৰ উৎসাহ-উদ্দীপনাৰ বিষয়ে আমাৰ সংবাদদাতা হিমাদ্ৰী দিহিঙীয়াই এইদৰে কয়–

**(ভইচ)**

০০০০০০

প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ যোৱানিশা মুম্বাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। তেওঁ যোৱা কিছুদিন ধৰি এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন হৈ আছিল। টাটা ছন্সৰ অধ্যক্ষ এম চন্দ্ৰশেখৰনে এটা বিবৃতি যোগে ৰতন টাটাৰ মৃত্যুৰ কথা নিশ্চিত কৰিছে। প্ৰয়াত টাটাই ১৯৬২ চনত টাটা গোটত যোগদান কৰিছিল। গোটৰ বিভিন্ন কোম্পানীত সেৱা আগবঢ়োৱাৰ পাছত তেওঁক ১৯৭১ চনত নেচনেল ৰেডিঅ' এণ্ড ইলেকট্ৰনিকছ কোম্পানী লিমিটেডৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছিল। ১৯৮১ চনত তেওঁক টাটা ইণ্ডাষ্ট্ৰিজৰ অধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছিল। তেওঁ ১৯৯১ চনৰ পৰা ২০১২ চনৰ ১২ ডিচেম্বৰ পৰ্যন্ত টাটা ছন্সৰ অধ্যক্ষ আছিল। ২০১২ চনৰ ২৯ ডিচেম্বৰত ৰতন টাটাক টাটা ছন্স, টাটা ইণ্ডাষ্ট্ৰিজ, টাটা মটৰছ, টাটা ষ্টিল আৰু টাটা কেমিকেলছৰ আজীৱন অধ্যক্ষৰ উপাধিৰে সন্মানিত কৰা হৈছিল। ভাৰতৰ সবাতোকৈ প্ৰসিদ্ধ উদ্যোগপতিসকলৰ অন্যতম ৰতন টাটাই ২ দশকৰো অধিক সময় ধৰি টাট ছন্সৰ অধ্যক্ষ হিচাপে কাম কৰিছিল। তেওঁ টাটা ন্যাসৰ জৰিয়তে লোকহিতৈষী অনেক কামত ভাগ

লৈছিল। তেওঁক ২০০০ চনত পদ্মভূষণ আৰু ২০০৮ চনত পদ্মবিভূষণসহ অনেক সন্মানেৰে বিভূষিত কৰা হৈছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যম যোগে দিয়া এটা শোকবাৰ্তাত কৈছে যে, ৰতন টাটাৰ বিয়োগত দেশে উদ্যোগিক বিকাশত ৰাষ্ট্ৰ নিৰ্মাণ আৰু উৎকৃষ্টতাক নৈতিকতাৰ সৈতে সংযোজিত কৰা এগৰাকী মহান ব্যক্তিক হেৰুৱালে। তেওঁ কয় যে, ৰতন টাটাই টাটাৰ মহান ঐতিহ্যক আগুৱাই লৈ গৈছিল আৰু ইয়াক সমগ্ৰ বিশ্বত অধিক কাৰ্যকৰী কৰি তুলিছিল। ৰতন টাটাই ব্যৱসায়ী আৰু যুৱ বিদ্যাৰ্থীসকলক সমানেই অনুপ্ৰাণিত কৰি আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নিজৰ শোকবাৰ্তাত কয় যে, ৰতন টাটাৰ বিয়োগে তেওঁ ব্যথিত কৰি তুলিছে। তেওঁ কয় যে, ৰতন টাটা ভাৰতীয় উদ্যোগ জগতৰ মহান ব্যক্তি আছিল আৰু  এখন আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁ আগবঢ়োৱা অৱদান দেশ-বিদেশৰ উদ্যোগপতিসকলৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে কয় যে, ৰতন টাটাৰ মৃত্যুয়ে তেওঁক দুখিত কৰিছে। ৰতন টাটাৰ সৈতে হোৱা কথোপকথনৰ কথা স্মৰণ কৰি শ্ৰীমোদীয়ে কয় যে, তেওঁৰ দৃষ্টিভংগী অতিকে বিশাল আছিল। শ্ৰীমোদীয়ে কয় যে, ৰতন টাটাৰ কিবা এটা ডাঙৰ কৰা আৰু সমাজক ঘূৰাই দিয়াৰ অপাৰ আগ্ৰহ আছিল। টাটাই শিক্ষা, স্বাস্থ্যসেৱা, অনাময় আৰু পশুধনৰ কল্যাণৰ লেখীয়া ক্ষেত্ৰসমূহত অগ্ৰণী ভূমিকা পালন কৰি থৈ গৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ৰতন টাটাই ভাৰতৰ সবাতোকৈ পুৰণি আৰু প্ৰতিষ্ঠিত ব্যৱসায়িক গোষ্ঠীক সুস্থিৰ নেতৃত্ব প্ৰদান কৰিছিল।

গৃহমন্ত্ৰী অমিত শ্বাহেও ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। শ্ৰীশ্বাহে সামাজিক মাধ্যম যোগে কৈছে যে, ৰতন টাটাই দেশৰ উন্নয়নৰ বাবে নিস্বাৰ্থভাৱে জীৱন উৎসৰ্গা কৰি থৈ গৈছে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ যেতিয়াই টাটাক দেখা কৰিছিল তেতিয়াই তেওঁৰ মাজত দেশ আৰু জনসাধাৰণৰ উন্নয়নৰ বাবে কিবা এটা কৰাৰ উৎসাহ-উদ্দীপনা দেখা পাইছিল।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এটা শোকবাৰ্তাত কৈছে যে, ৰতন টাটা অৰ্থ ব্যৱস্থাৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

মহাৰাষ্ট্ৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ আৰু অজিত পাৱাৰেও ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত